**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------
::::::::::::::::::

১। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন।

২। ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অংশগ্ৰহণ।

৩। গোৱালপাৰাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত কাইলৈৰ পৰা উচ্ছেদ চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৪। লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত একতাৰ পদযাত্ৰা কাৰ্যসূচী।

*আৰু*

৫। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাত ভাৰত ২-১ত বিজয়ী। অন্তিমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকে। বিশ্ববিদ্যালখনৰ স্থাপনৰ সমগ্ৰ পৰিকল্পনাক প্ৰশংসা কৰি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**বাইট (বিত্তমন্ত্ৰী সীতাৰমণ)**

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

০০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে আজি আৰু কাইলৈ গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ টি ৰোড, ডিজি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত আজি আৰু কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া হোৱা নাই। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। ভাৰতীয় বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ এঘাৰ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচলৰ অনুমতি দিয়া নাই। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো চিটিবাছ জি এছ ৰোড, এ টি ৰোড, আঠগাঁও হৈ গৈ পানবজাৰৰ আৰ বি আই হৈ ঘূৰিবলৈ দিয়া নাই। চিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নাই।

০০০০০

কেন্দ্ৰীয় আয়ুষ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমানবন্দৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসম আৰু আয়ুষ অভিযানৰ অগ্ৰগতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত ৰাজ্যজুৰি স্বাস্থ্য সেৱা অধিক উন্নীতকৰণ, আন্তঃগাথনি উন্নত কৰা, স্বাস্থ্যসেৱাৰ গুণগত মান বৃদ্ধি কৰাকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰা হয়। এই বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসম আৰু আয়ুষ অসমৰ অধ্যক্ষ দুগৰাকীৰ লগতে স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

গোৱালপাৰা জিলাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত কাইলৈৰ পৰা দুদিনীয়াকৈ উচ্ছেদ চলোৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কাইলৈ আৰু পৰহিলৈ উচ্ছেদ চলোৱা হ'ব বুলি কৰা ঘোষণাৰ পাছতে দখলকাৰীসকলে স্বেচ্ছাই সেই ঠাই ত্যাগ কৰিছে। উচ্ছেদৰ বাবে গোৱালপাৰা জিলা প্ৰশাসন সম্পূৰ্ণ সাজু হৈ উঠা বুলি আমাৰ গোৱালপাৰা সংবাদদাতাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে দহিকটা সংৰক্ষিত বনাঞ্চলৰ এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। জিলাখনৰ দুবাপাৰা, বেহাৰফুলি, দাৰোগাৰ আলগাকে

ধৰি কেইবাটাও অঞ্চলত বসবাস কৰা বহু লোক জলজলি নৈৰ খহনীয়াৰ কবলত পৰি শ্ৰীসূৰ্য্য পাহাৰৰ উত্তৰ পশ্চিম দিশত থকা দহিকটা সংৰক্ষিত বনাঞ্চলৰ ভূমিত যোৱা ২৫-৩০ বছৰে বসবাস কৰি আহিছে। দুবাপাৰা বন উদ্যানৰ পূৱ দিশৰ ভাটিয়াপাৰা গাওঁৰ কিছু অংশৰ লগতে উদ্যানৰ পশ্চিম দিশ আৰু উত্তৰ পশ্চিম দিশৰ কিছু অংশ দহিকটা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত।

ooooo

লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ডিব্ৰুগড়ত আজি জিলাভিত্তিত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। জয়ন্তীৰ সৈতে সংগতি ৰাখি এটা পদযাত্ৰা কাৰ্যসূচী উলিওৱা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে দেশক স্বাধীন কৰাৰ ক্ষেত্ৰত যিসকলে বলিষ্ঠ পদক্ষেপ লৈছিল আৰু ভাৰতবাসীৰ মনত একতা আৰু অখণ্ডতাৰ অনুভৱ জগাই তুলিছিল সেইসকলৰ ভিতৰত চৰ্দাৰ বল্লভভাই পেটেল অন্যতম।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত ৰান ফৰ ইউনিটি তথা ইউনিটি মাৰ্চ- এক ভাৰত আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি বৰবাৰী পুলিচ ৰিজাৰ্ভৰ পৰা বাথৌফুৰি খেলপথাৰলৈ পদযাত্ৰা উলিওৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আৰু জিলা আয়ুক্ত গৌতম দাসে চৰ্দাৰ পেটেলৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। মন্ত্ৰী শ্ৰীব্ৰহ্মাই এই একতাৰ যাত্ৰাই আমাৰ ৰাষ্ট্ৰীয় সংকল্প আৰু ঐক্যক দৃঢ় কৰি তুলিব বুলি মত প্ৰকাশ কৰে।

ooooo

শ্ৰীভূমি জিলা প্ৰশাসনৰ উদ্যোগত আজি লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে একতা পদযাত্ৰা অনুষ্ঠিত হয়। পুৰা শ্ৰীভূমি চহৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ প্ৰাংগণৰ পৰা কৰিমগঞ্জ মহাবিদ্যালয়ৰ খেলপথাৰলৈকে যোৱা এই পদযাত্ৰাত সাংসদ কৃপানাথ মাল্লা, বিধায়ক কমলাক্ষ দেৱ পুৰকায়স্থ, আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিৱেদী আদিকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী মহানগৰ কাৰ্যালয়ত ভাৰতীয় প্ৰশাসনিক বিষয়াৰ অৱসৰপ্ৰাপ্ত বিষয়া শেৱালী দেৱী শৰ্মাৰ ৬ কোটি ৪০ লাখ টকাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি জব্দ কৰিছে। আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি আহৰণ প্ৰতিৰোধ আইনৰ অধীনত তদন্তকাৰী সংস্থাটোৱে এই সম্পত্তি জব্দ কৰে। উল্লেখযোগ্য যে অসম ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মুক্ত আৰু দূৰৱৰ্তী শিক্ষাকোষৰ সঞ্চালক পদত কাৰ্যনিৰ্বাহ কৰা অভিযুক্ত শেৱালী দেৱী শৰ্মা ১০৫ কোটি টকাৰ দুৰ্নীতিৰ গোচৰত লিপ্ত হৈছিল। এই গোচৰতে মুখমন্ত্ৰীৰ তদাৰকী কোষে তেওঁক গ্ৰেপ্তাৰ কৰাৰ পাছত বিধি বলবৎকাৰী সঞ্চালকালয়ে নিজাববীয়াকৈ তদন্ত চলায়।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত -বাংলাদেশ সীমান্তৱৰ্তী পুবেৰগাওঁ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেট আৰু নগদ ধনসহ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। মাদক দ্ৰব্য সৰবৰাহত জড়িত এই মহিলাগৰাকীৰ পৰা আৰক্ষীয়ে প্ৰায় ডেৰ হাজাৰ নিচাযুক্ত টেবলেট আৰু ৯ হেজাৰ

১০০ টকা উদ্ধাৰ কৰিছে। আৰক্ষীয়ে মহিলাগৰাকীক সোধা পোচাৰ অন্তত হাতশিঙিমাৰী আদালতত হাজিৰ কৰে। মহিলাগৰাকীয়ে দীৰ্ঘদিন ধৰি মানকাচৰত মাদক দ্ৰব্য সৰবৰাহ কৰি আহিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

গোলাঘাট জিলাৰ নুমলিগড় শোধানাগাৰৰ জ্যেষ্ঠ বিষয়া ভৱেশ কলিতাক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এগৰাকী কিশোৰীক প্ৰলোভন দি যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত নুমলিগড় আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰাৰ পাছত লোকজনক যোৰহাট আদালতত হাজিৰ কৰোৱা হয়।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদ কৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি।

(প্ৰ'ম')

আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত আকাশবাণীৰ ষ্টুডিঅ'ত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অসমীয়া ভাষাত মণ্টেশ্বৰী শিক্ষাৰ বাটকটীয়া যোৰহাটৰ বাল্য ভৱন হাইস্কুলৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিৰে পৰা ৩ দিনীয়াকৈ অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলনেৰে এই সমাৰোহ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে বাৰেৰহনীয়া শোভাযাত্ৰা আৰু চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীয়ে মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত প্ৰজ্ঞাতীৰ্থ শীৰ্ষক স্মৃতি গ্ৰন্থ উন্মোচন কৰে। এই অনুষ্ঠানতে বিদ্যালয়খনৰ বিভিন্ন ছাত্ৰ গোট প্ৰকাশ কৰা হাতে লিখা আলোচনীসমূহো উন্মোচন কৰা হয়। উন্মোচনী ভাষণত সাহিত্যিকগৰাকীয়ে অসমীয়া ভাষা ৰক্ষা আৰু চৰ্চাৰ ক্ষেত্ৰত বাল্য ভৱনৰ নৱ প্ৰজন্মই ছখনকৈ হাতে লিখা আলোচনী নিয়মীয়াকৈ প্ৰকাশৰ দৰে পদক্ষেপ লৈ অহৰহ চেষ্টা চলাই আহিছে। তেওঁ লগতে এনে পদক্ষেপে ধ্ৰূপদী ভাষাটোৰ ক্ষেত্ৰত আহি পৰা সংকটৰ সংশয়ৰো অৱসান ঘটাব বুলি আশা প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰকাশন গোষ্ঠীৰ সহযোগত ১৯৯৮ চনত ছাত্ৰ সমাজে প্ৰকাশ কৰি উলিওৱা এ হিষ্টৰি অৱ দ্যা আচাম কোম্পানী, ১৮৩৯ - ১৯৫৩ শীৰ্ষক এখন গৱেষণা গ্ৰন্থ উন্মোচন কৰা হয়।

ooooo

ডিমা হাচাও জিলাৰ হাৰাঙ্গাজাওৰ বৌলচল জলপ্ৰপাতত আজি সন্ধানহীন হোৱা শিলচৰ এন আই টিৰ অভিযান্ত্ৰিক বিভাগৰ প্ৰথম বৰ্ষৰ দুগৰাকী ছাত্ৰী আৰু এজন ছাত্ৰৰ মৃতদেহ কিছুসময় পূৰ্বে উদ্ধাৰ কৰা হৈছে। এন ডি আৰ এফে তিনিওগৰাকী ছাত্ৰ-ছাত্ৰীৰ সন্ধানত উদ্ধাৰ অভিযান চলাই আছিল। ছাত্ৰ-ছাত্ৰী কেইগৰাকী উত্তৰ প্ৰদেশ আৰু বিহাৰৰ সৌহাৰ্দ ৰায়, সৰ্বকৃতিকা আৰু ৰাধিকা বুলি জানিব পৰা গৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ছাত্ৰ-ছাত্ৰীকেইগৰাকী আজি জলপ্ৰপাতটোলৈ ফুৰিবলৈ যোৱাৰ সময়তে এই অঘটন ঘটে।

০০০০০

টাই আহোম বংশৰ শিপাৰ সন্ধানত ম্যানমাৰৰ পৰা অসমলৈ অহা পৰ্যটকৰ এটা দলে আজি চৰাইদেউ জিলাৰ ঐতিহাসিক মৈদাম পৰিদৰ্শন কৰে। ৫ জনীয়া এই দলটো মৈদামৰ ঐতিহ্য আৰু নিৰ্মাণশৈলী দেখি অভিভূত হৈ পৰে। এওঁলোকে আহোম ৰাজবংশৰ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰি টাই আহোম সংস্কৃতি আৰু ইতিহাসৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। দলটোৱে আহোম যুগৰ ঐতিহাসিক স্থানসমূহো পৰিদৰ্শন কৰে। পৰৱৰ্তী সময়ত তেওঁলোকে শিৱসাগৰ জিলাৰ বিভিন্ন কীৰ্তিস্তম্ভ দৰ্শন কৰাৰ লগতে ডিব্ৰুগড়, হাবুং আদি অঞ্চল ভ্ৰমণ কৰিব।

০০০০০

ধেমাজী জিলাৰ জোনাইৰ ৰাজাখানাত আজি পুৱা ৰে'লৰ খুন্দাত এজন লোকৰ মৃত্যু হয়। ৰাজাখানা ৰেল দলঙৰ সমীপত ৰঙিয়া অভিমুখী নামনিমুৱা ৰে'লখনে মহতীয়াই নিয়া লোকজন জোনাইৰ এক নম্বৰ ৰাজাখানাৰ ৬০ বছৰীয়া তিলক ছেত্ৰী বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে লোকজন প্ৰাতঃভ্ৰমণৰ বাবে ওলাই আহিছিল। স্থানীয় লোকে ৰে'ল আৰক্ষীক খবৰ দিয়াত ৰে'ল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ডিব্ৰুগড়ৰ টিংখাং চাহ বাগিচাত আজি এখন প্ৰাথমিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী বিমল বৰাই এই বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি কয়, যে এই উদ্যোগে চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালৰ সন্তানসকলৰ শৈক্ষিক উন্নয়ন সম্ভৱ কৰি তুলিব। ইয়াৰ ফলত তেওঁলোকৰ বাবে এটা সুৰক্ষিত, সুৰুচিপূৰ্ণ পৰিৱেশ গঢ় লৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত আজি ব্ৰীছবেনৰ গাববাত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ভাৰতে চাৰি অভাৰ আৰু ৫ টা বলত এটাও উইকেট নেহেৰুওৱাকৈ ৫২ ৰান সংগ্ৰহ কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। সেই সময়ত সুভম গীলে ২৯ আৰু অভিযেক শৰ্মাই ২৩ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ অধিনায়ক মিছেল মাৰ্ছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। আজিৰ খেলখন পৰিত্যক্তে ঘোষণা কৰাৰ সুবাদত ভাৰতে ২-১ ফলাফলেৰে শৃংখলা দখল কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ